# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-08-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আয়ুক্ত আৰু মহকুমাধিপতিৰ বদলিৰ প্ৰক্ৰিয়া অহা ২৬ আগষ্টৰ ভিতৰত সম্পন্ন কৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশ।

২। দেশৰ সকলো কেন্দ্ৰীয় চৰকাৰী চিকিৎসালয়ত সুৰক্ষাকৰ্মীৰ নিয়োগ ২৫ শতাংশ বৃদ্ধিৰ বিষয়ত চৰকাৰৰ অনুমতি।

৩। আজি বিশ্ব মহ দিৱসৰ সৈতে সংগতি ৰাখি মহৰ কামোৰৰ পৰা সুৰক্ষিত থকাৰ উদ্দেশ্যে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ আহ্বান।

*আৰু*

৪। পেৰিছত হ'বলগীয়া পেৰালিম্পিকছত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলৰ সদস্যৰ সৈতে প্ৰধানমন্ত্ৰী মোদীৰ মত বিনিময়।

00000000

ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আয়োগে জাৰি কৰা নিৰ্দেশনা অনুসৰি ৰাজ্য চৰকাৰে জিলাসমূহৰ আয়ুক্ত আৰু মহকুমাধিপতিসকলৰ বদলিৰ প্ৰক্ৰিয়া অহা ২৬ আগষ্টৰ ভিতৰত সম্পন্ন কৰিব লাগিব। আনহাতে, অহা ২৭ আগষ্টৰ পৰা ১৭ ছেপ্তেম্বৰৰ ভিতৰত ভোটাৰ তালিকা উন্নীতকৰণৰ কাম সম্পূৰ্ণ কৰাৰ সময়সীমা ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে যোৱা বছৰ প্ৰকাশ পোৱা পঞ্চায়তৰ ভোটাৰ তালিকাত আৰু চলিত বৰ্ষৰ বিধানসভাৰ ভোটাৰ তালিকাৰ ভিত্তিত পঞ্চায়তৰ ভোটাৰ তালিকা উন্নীত কৰা হ'ব।

00000000

অসম চৰকাৰে ৰাজ্যখনত মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ ঘটনা ৰোধৰ বাবে তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰি কাৰ্যকৰী ব্যৱস্থা লয় বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে বিৰোধী পক্ষই সমালোচনা কৰিলেও চৰকাৰে এনে বহু ক্ষেত্ৰত তাৎক্ষণিকভাৱে ন্যায় প্ৰদানৰ ব্যৱস্থা কৰিছে। চৰকাৰে ভৱিষ্যতেও এনে ক্ষেত্ৰসমূহত তাৎক্ষণিকভাৱে ন্যায়ৰ ব্যৱস্থা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে।

মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত স্মাৰ্ট মিটাৰ সংস্থাপনৰ প্ৰসংগ উল্লেখ কৰি কয় যে ৰাজ্যখনত স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুতৰ মাচুল বৃদ্ধি হোৱা কথাটো সত্য নহয়। ইয়াৰ বিপৰীতে এই মিটাৰ সংস্থাপনে গ্ৰাহকক মিতব্যয়ীভাৱে বিদ্যুৎ ব্যৱহাৰ কৰাৰহে সুবিধা দিছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে স্মাৰ্ট মিটাৰ সংস্থাপনৰ ফলত বিদ্যুৎ মাচুল বৃদ্ধি হোৱা বুলি ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছিল।

ইপিনে, এ আই ইউ ডি এফ দলে স্মাৰ্ট মিটাৰৰ জৰিয়তে ৰাজ্য চৰকাৰে জনসাধাৰণক লুণ্ঠন আৰু হাৰাশাস্তি কৰাৰ অভিযোগ তুলিছে। দলটোৱে স্মাৰ্ট মিটাৰৰ জৰিয়তে অত্যধিক পৰিমাণে বিদ্যুৎ মাচুল সংগ্ৰহ নকৰিবলৈ চৰকাৰক আহ্বান জনাইছে। তদুপৰি স্মাৰ্ট মিটাৰ লগাবলৈ যোৱা ঠিকাদাৰ পক্ষৰ প্ৰৱঞ্চনা আৰু শক্তি বিভাগৰ নাম

লৈ ভয় খুৱাই স্মাৰ্ট মিটাৰ লগাবলৈ বাধ্য কৰোৱা ঠিকাদাৰৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দলটোৱে আহ্বান জনায়।

০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি পশ্চিমবংগ চৰকাৰৰ অধীনস্থ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ চিকিৎসক এগৰাকীৰ ধৰ্ষণ আৰু হত্যা সন্দৰ্ভত এটা গোচৰৰ শুনানি গ্ৰহণ কৰিব। দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ সৈতে ন্যায়াধীশদ্বয় জে বি পাৰ্ডিৱালা আৰু মনোজ মিশ্ৰৰে গঠিত এখন তিনিজনীয়া বিচাৰপীঠে এই শুনানি গ্ৰহণ কৰিব। ৰাজ্যখনৰ উচ্চ ন্যায়ালয়ে ইতিমধ্যে এই গোচৰৰ শুনানি গ্ৰহণ কৰি আছে আৰু তদন্তৰ ভাৰ চি বি আইলৈ হস্তান্তৰ কৰাৰ নিৰ্দেশ দিছে। আৰক্ষীৰ তদন্তত অসন্তুষ্ট হৈ চিকিৎসকগৰাকীৰ পিতৃ-মাতৃ আৰু অন্যান্য কিছুলোকে উচ্চ ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছিল। উল্লেখযোগ্য যে ঘটনাৰ তদন্তৰ ক্ষেত্ৰত আৰম্ভণিৰে পৰাই আৰক্ষীৰ ভূমিকাক লৈ বিভিন্ন প্ৰশ্ন উত্থাপিত হৈ আহিছে। এই ঘটনাত জড়িত দোষীক আৰক্ষীয়ে ৰক্ষণাবেক্ষণ দি আহিছে বুলি ৰাজ্যখনৰ বিৰোধী দল বিজেপিয়ে অভিযোগ উত্থাপন কৰিছে।

০০০০০০০০

গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান ৰোধৰ বাবে ৰাজ্য চৰকাৰে নেডাৰলেণ্ডছৰ এটা প্ৰতিষ্ঠানক নলা-নৰ্দমাৰ কামৰ দায়িত্ব অৰ্পণ কৰিব। বিষয়টোক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজনিত আবেদনৰ শুনানিৰ সময়ত মহাধিবক্তা দেৱজিৎ শইকীয়াই আদালতক এই কথা জানিবলৈ দিয়ে। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে এই সন্দৰ্ভত যোৱামাহত নিবিদা আহ্বান কৰাৰ পৰৱৰ্তী সময়ত নেডাৰলেণ্ডছৰ প্ৰতিষ্ঠানটো এই কামৰ বাবে অৰ্হতাসম্পন্ন হিচাপে বিবেচিত হোৱা বুলি তেওঁ উল্লেখ কৰে। বিদেশী প্ৰতিষ্ঠানটোৰ সৈতে অহা ২১ আগষ্টত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হ'ব বুলিও মহাধিবক্তাগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্য চৰকাৰে এই সন্দৰ্ভত কালি আদালতত এখন শপতনামাও দাখিল কৰে। উল্লেখযোগ্য যে গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বান সমস্যা আৰু অবৈধ পাহাৰ খনন সন্দৰ্ভত এটা বেচৰকাৰী প্ৰতিষ্ঠানে উচ্চ ন্যায়ালয়ত এই আবেদন দাখিল কৰিছিল। আদালতে যোৱা ৭ আগষ্টত আবেদনখনৰ শুনানি গ্ৰহণ কৰি মহানগৰীৰ কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে গ্ৰহণ কৰা পৰিকল্পনা তথা ব্যৱস্থা সন্দৰ্ভত শপতনামা দাখিল কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছিল।

০০০০০০০

থাইলেণ্ডৰ ভাৰতস্থিত ৰাষ্ট্ৰদূত পাট্টাৰত হংটঙে কালি বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ভ্ৰমণ কৰে। কালি বিয়লি চৰাইদেউ মৈদাম ক্ষেত্ৰত উপস্থিত হোৱা থাইলেণ্ডৰ ভাৰতস্থিত ৰাষ্ট্ৰদূতগৰাকীক ৰাজ্যিক প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ হৈ সঞ্চালক ড০ দীপিৰেখা কুলী, সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে আদৰণি জনায়। ইয়াৰ পাছতে থাই ৰাষ্ট্ৰদূতগৰাকীয়ে মৈদাম অঞ্চল আৰু সংগ্ৰহালয় প্ৰত্যক্ষ কৰে।

০০০০০

কালি যোৰহাট জিলাৰ তিতাবৰৰ কেচা বেবেজীয়াত আৰক্ষীয়ে অভিযান চলাই দুজন ড্ৰাগছ ব্যৱসায়ীক ড্ৰাগছসহ আটক কৰে। তিতাবৰৰ এছ ডি পি অ' আৰু যোৰহাটৰ ডি এছ পি কৌশিক কলিতাৰ নেতৃত্বত চলোৱা এই অভিযানত ড্ৰাগছ ব্যৱসায়ী দুজনৰ পৰা ৮টা চাবোনৰ বাকচত বুজন পৰিমাণৰ হে'ৰইন আৰু নিচাজাতীয় টেবলেট উদ্ধাৰ কৰা হয়। ড্ৰাগছ ব্যৱসায়ী দুজন ডিমাপুৰৰ পৰা তিনিচুকীয়ালৈ আহি আছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০

ভাদ মাহৰ পবিত্ৰ পূৰ্ণিমা তিথিৰ সৈতে সংগতি ৰাখি তামুলপুৰৰ বিভিন্ন প্ৰান্তত কালি ৰাভা জনগোষ্ঠীৰ পৰম্পৰাগত **বাম্বোল পিটা** উৎসৱ পালন কৰা হয়। উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ টোটলা ৰাভাসকলে ৰাভা জনগোষ্ঠীৰ এই পৰম্পৰাগত উৎসৱটো পালন কৰি আহিছে। নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহযোগিতাৰে আয়োজিত এই অনুষ্ঠানত স্থানীয় একাংশ জ্যেষ্ঠ নাগৰিকৰ লগতে বিটিআৰৰ পাৰিষদ হেমন্ত কুমাৰ ৰাভায়ো অংশগ্ৰহণ কৰে।

০০০০০০০০

কার্বি আংলং জিলাৰ আইন শৃংখলা পৰিস্থিতিৰ অৱনতি হোৱাৰ আশংকা কৰি জিলাখনৰ প্ৰশাসনে কেতবোৰ বাধা আৰোপ কৰি আদেশ জাৰি কৰিছে। সেই অনুযায়ী জিলাখনত যথা সময়ৰ বাবে কোনো দল সংগঠনে কোনো ধৰণৰ প্ৰতিবাদ, সমদল, ধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰিব নোৱাৰিব। জিলা প্ৰশাসন আৰু জিলা দণ্ডাধীশে সমগ্ৰ জিলাখনত তৎকালীনভাৱে বলৱৎ হোৱাকৈ কালি সন্ধিয়া এই আদেশ জাৰি কৰিছে।

0000000

কালি ধেমাজি জিলাৰ আয়ুক্তই বেচামৰা হাইস্কুলত এটা শিশুৰ বাবে চিকিৎসা শিবিৰ মুকলি কৰে। ধেমাজিৰ বি পি এইচ চি অধীনত আয়োজিত এই শিবিৰত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকৰ লগতে আয়ুষ প্ৰশিক্ষাৰ্থী, ফিজিঅ' থেৰাপিষ্টে অংশগ্ৰহণ কৰে। শিবিৰটোত মুঠ ১৮৫ গৰাকী শিশুৱে চিকিৎসা সেৱা লাভ কৰে।

0000000

আজি বিশ্ব মহ দিৱস। মহৰ কামোৰৰ ফলত বিভিন্ন বাহকজনিত ৰোগ যেনে - জাপানী এনচেফেলাইটিছ, ডেংগী, মেলেৰিয়া আদি হ'ব পাৰে। সেয়েহে মহৰ প্ৰজনন ৰোধ কৰিবলৈ আৰু নিজকে সুৰক্ষিত ৰাখিবলৈ এই দিৱস পালন কৰা হয়। বিশ্ব মহ দিৱস উপলক্ষে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে মহৰ কামোৰৰ পৰা সুৰক্ষিত থাকিবলৈ বিভিন্ন ব্যৱস্থা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিছে। মহৰ প্ৰজনন ৰোধ কৰিবলৈ ঘৰৰ আশে-পাশে পানী জমা হৈ থাকিবলৈ নিদিয়া, শোৱাৰ সময়ত আনকি দিনতো সদায় আঁঠুৱা ব্যৱহাৰ কৰা, সম্পূৰ্ণ শৰীৰ ঢাকি ৰাখি বস্ত্ৰ পৰিধান কৰা আৰু বয়স অনুযায়ী বৈদ্যুতিক মেট, ধূপ-ধুনা, কইল আদি মহ প্ৰতিৰোধক ব্যৱহাৰৰ লেখীয়া সাৱধানতা অৱলম্বন কৰিবলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমে আহ্বান জনাইছে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৮ আগষ্টৰ পৰা পেৰিছত হ'বলগীয়া পেৰালিম্পিকছত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় দলৰ সদস্যসকলৰ সৈতে কালি মত বিনিময় কৰে। ভিডিঅ' কনফাৰেন্সিক ব্যৱস্থাৰে আয়োজিত এই বাৰ্তালাপত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে এই খেলুৱৈসকলে দেশলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে, খেলুৱৈসকলৰ এই যাত্ৰা তেওঁলোকৰ জীৱন আৰু কেৰিয়াৰৰ বাবে অতি গুৰুত্বপূৰ্ণ। এই যাত্ৰা দেশৰ বাবেও সমানে গুৰুত্বপূৰ্ণ বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, দেশৰ ১৪০ জনসাধাৰণে খেলুৱৈসকলক আশীৰ্বাদ দি আছে।

ইপিনে ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কৈছে যে, এইবেলি ভাৰতে পেৰালিম্পিকছলৈ সৰ্ববৃহৎ দল প্ৰেৰণ কৰিবলৈ সাজু হৈছে। এই ক্ৰীড়া সমাৰোহত ৮৪ গৰাকী প্ৰতিভাৱান খেলুৱৈয়ে দেশক প্ৰতিনিধিত্ব কৰিব বুলি তেওঁ প্ৰকাশ কৰে। ইয়াৰ ভিতৰত ৫০ শতাংশ খেলুৱৈয়ে প্ৰথমবাৰৰ বাবে এই ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰিব। তেওঁ কয় যে, এই খেলুৱৈসকলে অকল ক্ৰীড়াৰ ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰাই নহয় বৰং ইচ্ছাশক্তি, নিষ্ঠা আৰু কঠোৰ শ্ৰমৰ জৰিয়তে যে যিকোনো বাধাই অতিক্ৰম কৰিব পাৰি, সেয়াও প্ৰমাণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতীয় খেলুৱৈসকলে সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনেৰে টকিঅ' পেৰালিম্পিকছত ১৯টা আৰু ২০২২ চনৰ এছিয় পেৰা গেমছত ১১১টা পদক জয় কৰাটো দেশৰ বাবে গৌৰৱৰ বিষয়। খেলুৱৈসকলে একেদৰে এইবেলিও পেৰিছত গৌৰৱৰ ধ্বজা উৰুৱাব বুলি তেওঁ আস্থা প্ৰকাশ কৰে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ভাৰত ভ্ৰমণৰত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকত দুয়োগৰাকী নেতাই ভালেকেইখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীৰ সন্মানাৰ্থে দুপৰীয়াৰ আহাৰৰো ব্যৱস্থা কৰিছে। ইয়াৰ পাছত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি ভৱনত শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে যোৱানিশা নতুন দিল্লীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীক বিমান বন্দৰত জলশক্তি আৰু ৰে'ল ৰাজ্য মন্ত্ৰী ভি ছোমান্নাই আনুষ্ঠানিকভাৱে আদৰণি জনায়। এয়া হৈছে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীৰ প্ৰথমটো ভাৰত ভ্ৰমণ।

বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ভাৰত আৰু মালয়েছিয়া শক্তিশালী ঐতিহাসিক আৰু সামাজিক, সাংস্কৃতিক বান্ধোনেৰে বান্ধ খাই আছে। উভয় দেশৰ দ্বিপাক্ষিক সম্পৰ্কক ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মালয়েছিয়া ভ্ৰমণৰ সময়ছোৱাত বৰ্ধিত কৌশলগত অংশীদাৰিত্বলৈ উন্নত কৰা হয়। মন্ত্ৰালয়ে জনোৱা অনুসৰি উভয় দেশৰ এই বৰ্ধিত কৌশলগত অংশীদাৰিত্বই পৰৱৰ্তী বৰ্ষত দ্বিতীয় দশকত ভৰি দিয়াৰ সময়তে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰীগৰাকীৰ ভাৰত ভ্ৰমণে দেশ দুয়োখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কক অধিক শক্তিশালী কৰি তুলিব আৰু ভৱিষ্যতৰ বাবে বিভিন্ন খণ্ডত সহযোগিতামূলক কাৰ্যসূচীৰ বিকাশ ঘটাব।

oooooooo

————জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ অধিসূচনা আজি জাৰি কৰা হ'ব। এই পৰ্যায়ত প্ৰথম পৰ্যায়ত অনন্তনাগ, শ্ব'পিয়ান, কুলগাম, ৰামবান্দ, কিস্তৱাৰ আৰু দ'দা জিলাৰ ২৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। এই পৰ্যায়ৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম তাৰিখ ২৭ আগষ্ট ধাৰ্য কৰা হৈছে। ২৮ আগষ্টত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে ৩০ আগষ্টলৈকে প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অহা ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

এই পৰ্যায়ত প্ৰায় ৯০ লাখ ভোটদাতাই ভোটদান কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে জম্মু আৰু কাশ্মীৰত সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ পাছত বিধানসভা আসনৰ সংখ্যা ৮৩ৰ পৰা ৯০ লৈ বৃদ্ধি হয়।ইয়াৰ ভিতৰত ৭৪ খন আসন সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে। আনহাতে ৭ খন আসন অনুসূচিত জাতি আৰু ৯ খন আসন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে। এইবেলি নিৰ্বাচনত ভোটদান কৰিবলগীয়া নাগৰিকসকলৰ ভিতৰত প্ৰায় ২১ লাখ ভোটদাতা ২০ৰ পৰা ২৯ বছৰ বয়সৰ ভিতৰৰ। জম্মু-কাশ্মীৰত এইবাৰ নিৰ্বাচনত মুঠ ৮৭ লাখ ৯ হাজাৰ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত ৪৪ লাখ ৪৬ হাজাৰ পুৰুষ আৰু ৪২ লাখ ৬২ হাজাৰ মহিলা। ইপিনে এই নিৰ্বাচনত ৩ লাখ ৭১ হাজাৰ গৰাকী ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিব।

ooooooo

———নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ প্ৰাক্তন শিক্ষয়িত্ৰী সংগীতা দাসৰ কালি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫১ বছৰ। প্ৰয়াত দাসে প্ৰায় ১৭ বছৰ নুনমাটিৰ অসম জাতীয় বিদ্যালয়ত শিক্ষকতা কৰিছিল।

oooooooo

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন বাতৰিক প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। দৈনিক অসম কাকতে বজাৰত প্ৰতিবিধি পাচলিৰ জুই চাই দাম যদিও উৎপাদনকাৰী কৃষকসকল উপযুক্ত দাম লাভৰ পৰা বঞ্চিত হৈ থকাৰ বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি ৰূপে প্ৰকাশ কৰিছে। কাকতখনে পঞ্চায়তৰ সীমা পুনৰ নিৰ্ধাৰণ নহওঁতেই ভোটাৰ তালিকা প্ৰকাশৰ তৎপৰতাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱাৰ অজুহাতেৰে ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ে ১৬১ খন চৰকাৰী বিদ্যালয় বন্ধ কৰি সমীপৰ আন বিদ্যালয়ৰ সৈতে একত্ৰিকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চৰকাৰে দেশৰ সকলো কেন্দ্ৰীয় চৰকাৰী চিকিৎসালয়ত সুৰক্ষাকৰ্মীৰ নিয়োগ ২৫ শতাংশ বৃদ্ধি কৰাৰ বাবে অনুমতি প্ৰদান কৰিছে। চৰকাৰী সূত্ৰসমূহে প্ৰকাশ কৰা মতে মানসম্পন্ন সুৰক্ষা নীতি-নিয়মসমূহৰ উপৰিও চৰকাৰী চিকিৎসালয়সমূহৰ পৰা লাভ কৰা ব্যক্তিগত চাহিদাৰ ওপৰত ভিত্তি কৰি মাৰ্শ্বল নিয়োগ কৰাৰ বাবেও অনুমতি প্ৰদান কৰা হৈছে। বাতৰিটো দা টাইমছ অৱ ইণ্ডিয়া কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মহানগৰীৰ এটা শ্ব'পিং ম'লত কালি বোমা থকা বুলি দুষ্কৃতিকাৰীয়ে ইমেইলযোগে অৱগত কৰাৰ পাছত ক্ৰেতা-বিক্ৰেতা আৰু কৰ্মচাৰীৰ মাজত হুৱাদুৱাৰ সৃষ্টি হয়। অৱশ্যে শ্ব'পিং ম'লটোত কোনোধৰণৰ আপত্তিজনক সামগ্ৰী পোৱা নাই বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰে। বাতৰিটো দি আছাম ট্ৰিবিউন কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নেডাৰলেণ্ডছৰ অভিযান্ত্রিক কোম্পানীক গুৱাহাটীৰ কৃত্রিম বান নিয়ন্ত্রণৰ দায়িত্ব দিয়াৰ বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ওড়িশাৰ চম্বলপুৰৰ অম্লুট বিহাৰস্থিত গংগাধৰ মেহেৰ বিশ্ববিদ্যালয়ত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ নামত আসন প্ৰতিষ্ঠা হ'বলগীয়া বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

সোণাপুৰৰ চৰকাৰী বৃদ্ধাৱাসত থকা আৱাসীলৈ মুখ্যমন্ত্রীয়ে বিনামূলীয়া চাউল, আধাৰকাৰ্ড, ৰেচন কাৰ্ড, আয়ুষ্মান কাৰ্ড আদি প্ৰদান কৰা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অগ্ৰদূত কাকতৰ দুটা গুৰুত্বপূৰ্ণ বাতৰিৰ শিৰোনাম- বাংলাদেশ- অসমৰ দালালৰ জৰিয়তে নদীপথেৰে ১৭ বাংলাদেশীৰ প্ৰৱেশ আৰু ২৫টা স্থানত আলফাৰ বোমা স্থাপনতো অসহায় অনুভৱ কৰা নাই ডিজিপিয়ে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

সমাপ্ত